# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI
0000000000

**Date : 12-03-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::**

অসমৰ ভূমিত ভাৰত-বাংলাদেশ সীমান্তৰ প্ৰায় ২২৯ কিলোমিটাৰ এলেকাত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ কৰা হৈছে। সীমান্ত উন্নয়ন বিভাগৰ মন্ত্ৰী অতুল বৰাই আজি ৰাজ্যৰ বিধানসভাত বিধায়ক জাকিৰ হুছেইন চিকদাৰৰ প্ৰশ্নৰ উত্তৰত এই কথা প্ৰকাশ কৰি কয়, যে সীমান্তৰ বাকী থকা অংশ নদী অঞ্চল হোৱা বাবে কাঁইটীয়া তাঁৰৰ বেৰ দিব পৰা নাই। বেৰ নিৰ্মাণ কৰিবলৈ বাকী থকা অংশৰ অন্তৰ্গত শ্ৰীভূমি জিলাৰ কুছিয়াৰা নদীৰ পাৰত প্ৰায় ৫ কিলোমিটাৰ অংশত অঞ্চলবাসীৰ আপত্তিৰ বাবে কাঁইটীয়া তাঁৰৰ বেৰ দিব পৰা নাই বুলি তেওঁ কয়। নদী অঞ্চলসমূহত সীমান্ত সুৰক্ষা বাহিনীয়ে পৰ্যবেক্ষণ চকী স্থাপন কৰি জলভাগ নিৰীক্ষণ কৰি আহিছে বুলি তেওঁ জানিবলৈ দিয়ে। সীমান্ত সুৰক্ষা উন্নত কৰিবলৈ আৰু আন্তঃৰাষ্ট্ৰীয় বাণিজ্য সুচল কৰি তুলিবলৈ যোৱা নৱেম্বৰত তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তৰ দৰঙাত প্ৰথমটো সংহত তালাচী চকী মুকলি কৰা হয়। তদুপৰি ভাৰত-ভূটানৰ মাজত যোগাযোগ উন্নত কৰিবলৈ এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত কোকৰাঝাৰ-গেলেফু ৰেলপথ প্ৰকল্পৰ কথা ঘোষণা কৰা হয়। ৩৫ হাজাৰ কোটি টকাৰ এই প্ৰকল্প কোকৰাঝাৰত আৰম্ভ হ'ব আৰু ভূটানৰ গেলেফুত অন্ত পৰিব। ইয়াৰ জৰিয়তে বাণিজ্য, পৰ্যটন আৰু আঞ্চলিক উন্নয়নৰ গতি ত্বৰান্বিত হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০০

মৰিগাওঁ আৰক্ষীয়ে আজি ডবকা আৰক্ষীৰ সহযোগত ডবকাৰ নাহৰগাঁৱৰ জমিৰ উদ্দিন নামৰ এজন লোকৰ ঘৰত অভিযান চলাই ২৫ খনকৈ চুৰি মটৰ চাইকেল উদ্ধাৰ কৰিছে। উদ্ধাৰ কৰা মটৰ চাইকেল কেইখনৰ নথিপত্ৰ পৰীক্ষাৰ বাবে ডবকা আৰক্ষী থানালৈ লৈ অনা হয়। উল্লেখযোগ্য যে যোৱা সোমবাৰে মৰিগাঁৱৰ পৰা চুৰি হোৱা মটৰ চাইকেল ডবকাত উদ্ধাৰ হৈছিল। সেই মটৰ চাইকেলখন ক্ৰয় কৰা জেহিৰুল ইচলামক পৰৱৰ্তী সময়ত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। জেহিৰুলৰ স্বীকাৰোক্তিৰ ভিত্তিত আৰক্ষীয়ে যোৱা নিশা অভিযান চলাই জমিৰ উদ্দিনৰ ঘৰৰ পৰা বিক্ৰীৰ বাবে আনি থোৱা চুৰি মটৰ চাইকেলসমূহ উদ্ধাৰ কৰে।

০০০০

কাচাৰ আৰক্ষীয়ে অভিযান চলাই ৰাজস্থানৰ পৰা অসমৰ ৩ গৰাকী নাবালিকা আৰু যুৱতীক উদ্ধাৰ কৰিছে। শিলচৰৰ এখন চাহ বাগিছাৰ লাইনৰ পৰা চাকৰি দিয়াৰ প্ৰলোভনেৰে এটা দুষ্টচক্ৰই তিনিওগৰাকী নাবালিকা আৰু যুৱতীক ৰাজস্থানলৈ সৰবৰাহ কৰিছিল। কাচাৰ আৰক্ষী অধীক্ষক নুমল মাহাতোই বুধবাৰে সংবাদ মাধ্যমৰ আগত এই স ন্দৰ্ভত কয়, যে উজনি, মধ্য আৰু নামনি অসমৰ চাহ বাগিছাসমূহৰ পৰা দৰিদ্ৰ পৰিয়ালৰ কিশোৰী তথা যুৱতীসকলক চাকৰিৰ প্ৰলোভনেৰে দীৰ্ঘদিনৰ পৰা এটা দুষ্টচক্ৰই বহিঃৰাজ্যলৈ প্ৰেৰণ কৰি আহিছিল। যোৱা ২৪ জানুৱাৰীত কাচাৰৰ কাটিগড়াৰ এগৰাকী ব্যক্তিয়ে তেওঁৰ নাবালিকা কন্যা নিৰুদ্দেশৰ এটা গোচৰ ৰুজু কৰে। আৰক্ষী অধীক্ষকগৰাকীয়ে জনোৱা মতে, সেই গোচৰৰ ভিত্তিত আৰক্ষীয়ে অভিযান চলাই আন দুগৰাকী যুৱতীসহ নাবালিকা কন্যাগৰাকীক ৰাজস্থানৰ জয়পুৰৰ পৰা উদ্ধাৰ কৰে। এই ঘটনাৰ সৈতে জড়িত ৰাজস্থানৰ লীলা ৰাম নামৰ এজন লোকক গ্ৰেপ্তাৰ কৰি শিলচৰলৈ অনা হৈছে। ঘটনাৰ সৈতে জড়িত ৰূপালী দত্ত আৰু গংগা গনজু নামৰ দুগৰাকী মহিলা পলাতক অৱস্থাত আছে বুলি আৰক্ষী অধীক্ষকগৰাকীয়ে জানিবলৈ দিছে।

০০০০

চিৰাং জিলাৰ আমগুৰি থানাৰ অন্তৰ্গত পৰ্বতঝৰাৰ মাক্ৰা নৈৰ কাষত পুতি থোৱা অৱস্থাত আজি চিৰাং আৰক্ষীয়ে গুলিসহ এটা পিষ্টল উদ্ধাৰ কৰে। আৰক্ষী সূত্ৰই জনোৱা মতে এটা গোপন সূত্ৰৰ পম খেদি বিজনী মহকুমা আৰক্ষী বিষয়া আৰু আমগুৰি থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ নেতৃত্বত চলোৱা অভিযানত দুই জাই সজীৱ গুলিসহ এটা পিষ্টল উদ্ধাৰ কৰে। অৱশ্যে পিষ্টলটোৰ গৰাকী কোন এতিয়ালৈ কোনো তথ্য পোৱা হোৱা নাই।

০০০০

কামৰূপ জিলাৰ পলাশবাৰীৰ বৰদুৱাৰ বাগানৰ দুৱাপাৰাত আজি ১৫ টা মৃত শগুন উদ্ধাৰ কৰা হৈছে। আনহাতে, সেই স্থানৰ পৰাই ১০ টাতকৈ অধিক শগুন অসুস্থ অৱস্থাত বন বিভাগে উদ্ধাৰ কৰিছে। স্থানীয় লোকে আজি পুৱাৰ ভাগত একাংশ শগুন মৃত অৱস্থাত পথাৰত পৰি থকা দেখি বন বিভাগক খবৰ দিয়ে। লোহাৰঘাট বনাঞ্চলিক কাৰ্যালয়ৰ বন বিভাগৰ দল সেই স্থানত উপস্থিত হৈ অসুস্থ শগুনকেইটাক ততাতৈয়াকৈ চিকিৎসাৰ ব্যৱস্থা কৰে। অৱশ্যে শগুন কেইটাৰ মৃত্যুৰ কাৰণ এতিয়াও বন বিভাগে সদৰি কৰা নাই যদিও খাদ্যৰ বিষক্ৰিয়াৰ বাবে শগুনকেইটাৰ মৃত্যু হোৱা বুলি ধাৰণা কৰা হৈছে।

০০০০

ৰাজ্যৰ উদ্যান শস্য আৰু খাদ্য প্ৰসংস্কৰণ সঞ্চালকালয়ৰ অধীনৰ উদ্যান শস্য অভিযানৰ অংশ হিচাপে শীতল ভঁৰাল স্থাপনৰ ব্যৱস্থা কৰা হৈছে বুলি কৃষি মন্ত্ৰী অতুল বৰা আজি বিধানসভাত উল্লেখ কৰে। এই আঁচনিৰ অধীনত ইচ্ছুক কৃষকে ৫০ শতাংশ ৰাজ সাহায্যত সামগ্ৰী লাভ কৰিব বুলি তেওঁ কয়। কৃষকসকলে স্থানীয় জিলা কৃষি বিষয়াৰ জৰিয়তে ইয়াৰ বাবে আবেদন কৰিব পাৰিব। আবেদন পত্ৰ লাভ কৰিলে সঞ্চালকালয়ে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব বুলি তেওঁ আশ্বাস দিয়ে।

শ্ৰীবৰাই আন এটা প্ৰশ্নৰ উত্তৰত কয়, যে ৰাজ্যৰ কৃষি বিভাগে ২০১৬ চনৰ পৰা বৰ্তমানলৈ ১৭ হাজাৰতকৈ অধিক ট্ৰেক্টৰ আৰু ৩ হাজাৰতকৈ অধিক পাৱাৰ টিলাৰ বিতৰণ কৰিছে।

০০০০

মৰিগাঁও আৰক্ষীয়ে যোৱা নিশা চহৰখনত অভিযান চলাই বুজন পৰিমাণৰ নকল সোণসহ পাঁচজন লোকক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ কৰা লোককেইজনৰ পৰা ২ কেজি ২৮৩ গ্ৰাম ওজনৰ নকল সোণৰ নাও আৰু সোণৰ টুকুৰাৰ লগতে নগদ ৪৯ হাজাৰ টকা জব্দ কৰা হয়। ধৃত লোককেইজনৰ ভিতৰত তিনিজন উত্তৰ প্ৰদেশৰ লোক বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে এই লোককেইজনৰ সন্দেহজনক গতিবিধি লক্ষ্য কৰি মৰিগাঁও সদৰ আৰক্ষীৰ এটা তহলদাৰী দলে অভিযান আৰম্ভ কৰে। প্ৰাথমিক তথ্যৰ ভিত্তিত জিলা আৰক্ষী অপৰাধ শাখাৰ অতিৰিক্ত অধীক্ষকে অভিযান চলাই লোককেইজনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়।

০০০০

ঃঃ সমাপ্ত ঃঃ